জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯০/২০২০

# অসম আন্দোলনৰ অক্লান্ত কৰ্মী তথা আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শশধৰ কাকতিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক অসম আন্দোলনৰ অক্লান্ত কৰ্মী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বিশিষ্ট সাংবাদিক শশধৰ কাকতিৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত শশধৰ কাকতিয়ে আমাৰ সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ঐতিহাসিক অসম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা প্ৰয়াত কাকতিয়ে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰি ছাত্ৰ সমাজৰ বিভিন্ন সমস্যাৰাজিৰ লগতে বিভিন্ন সামাজিক বিষয়ৰ সমাধানৰ ক্ষেত্ৰতো বলিষ্ঠ ভূমিকা পালন কৰি গৈছে। সাংবাদিকতাৰ ক্ষেত্ৰখনলৈও সেৱা আগবঢ়োৱা প্ৰয়াত কাকতিয়ে বৰপেটাৰ পৰা প্ৰকাশিত অধুনালুপ্ত সাপ্তাহিক ‘বৰপীঠ’ কাকতৰ সম্পাদক হিচাপেও দায়বদ্ধতাৰে দায়িত্ব পালন কৰিছিল। প্ৰয়াত কাকতিয়ে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উত্তৰণৰ দিশতো সক্ৰিয় ভূমিকা পালন কৰি গৈছে। তেখেতৰ মৃত্যু ৰাজ্যখনৰ সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত শশধৰ কাকতিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা সাংবাদিক শশধৰ কাকতিৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰে। মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত শশধৰ কাকতিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত কাকতিৰ অন্তিম সংস্কাৰ অনুষ্ঠানতো অংশ গ্ৰহণ কৰি তেখেতলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে।

**প্ৰঃকুঃবঃ**
২৭/০২/২০২০